*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

২৮ বছৰ, ৩৬ সংখ্যা, ২৬ ভাদ, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

*RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 36 * Date Of Publication - 12 September 2021 Rs.5.00/-*

## কৃষি বিভাগক ৰাজ্যৰ শ্ৰেষ্ঠ বিভাগলৈ ৰূপান্তৰৰ আহ্বান মুখ্যমন্ত্ৰীৰ




**বাৰ্তাসেৱা**- খানাপাৰাস্থিত কৃষি চৌহদৰ কৃষি নিৰাসত অনুষ্ঠিত এক পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৃষি, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ দ্বাৰা ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কয়, কৃষকে যাতে মানসম্পন্ন বীজ আৰু উপযুক্ত সাৰ বাধাহীন ভাৱে লাভ কৰিব পাৰে সেইটো সুনিশ্চিত কৰিব লাগিব। লগতে ৰাজ্যখনৰ কৃষকসকলে যাতে সৰ্বাধিক লাভান্বিত হ'ব পাৰে তাৰ বাবে পদক্ষেপসমূহ সকলীকৰণ কৰিব লাগিব। লগতে মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা বৈঠকত কয় যে ৫ বছৰৰ ভিতৰত কৃষি বিভাগক ৰাজ্যখনৰ সকলোতকৈ শ্ৰেষ্ঠ বিভাগ হিচাপে গঢ়ি তোলাৰ বাবে কৃষি, উদ্যান শস্য বিভাগসমূহৰ বিষয়া-কৰ্মাচাৰীসকলে নতুন চিন্তাআৰু উদ্ভাৱনীমূলক পদক্ষেপেৰে আগবাঢ়ি যাব লাগিব। কৃষি অসমৰ জনসাধাৰণৰ এক বাপতি সাহোন বুলি উল্লেখ কৰি কৃষি অৰ্থনীতি অধিক শক্তিশালী কৰাৰ দিশত সকলোৰে সন্মিলিতভাৱে আত্মনিয়োগ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। বিগত পাঁচ বছৰত কৃষি বিভাগে এক কাঠামো নিৰ্মাণ কৰিছিল বুলি উল্লেখ কৰি এই কাঠামোৰ ওপৰত ভিত্তি কৰি আগন্তুক ৫ বছৰৰ ভিতৰত কৃষি বিভাগক এক শক্তিশালী বিভাগ হিচাপে পৰিগণিত কৰিববলৈ নিৰ্দেশ দিছে। পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীক কৃষি বিভাগৰ সঞ্চালক, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ সঞ্চালক, অসম বীজ নিগম লিমিটেডৰ পৰিচালনা সঞ্চালক, অসম বীজ প্ৰামাণিকৰণ সংস্থাৰ সঞ্চালকে বেলেগ বেলেগ প্ৰেজেন্টেচনৰে বিভাগকেইটাৰ কাম-কাজ আৰু বিভিন্ন আঁচনিৰ বিষয়ে অৱগত কৰে।

## শীঘ্ৰেই ৰ'-পেক্স জাহাজৰ চলাচলৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**বাৰ্তাসেৱা** — মাজুলীত সংঘটিত হোৱা ভয়াৱহ ফেৰী দুৰ্ঘটনাৰ উদ্ধাৰ অভিযানৰ বুজ লৈ যোৰহাটৰ নিমাতীঘাটত — সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে যে নিমাতীঘাট আৰু মাজুলীৰ মাজত চলাচল কৰা এটা ইঞ্জিনযুক্ত সকলো ফেৰী সেৱা বন্ধ থাকিব। ব্ৰহ্মপুত্ৰৰ মাজৰ ফেৰী দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰাৰ পাছত সাংবাদিকৰে হোৱা বাৰ্তালাপত এই ফেৰী দুৰ্ঘটনাৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে এক উচ্চ পৰ্যায়ৰ তদন্ত কৰিব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, সংঘটিত ফেৰী দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ এতিয়ালৈকে উলিয়াব পৰা নাই যদিও ফেৰীসমূহৰ চলাচলত যে আসোঁৱাহ আছে সেই কথা পোহৰলৈ আহিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে নিমাতীঘাটত থকা ৰ'পেক্স জাহাজ দুখন এক-ডেৰ মাহে কিয় বন্ধ হৈ আছিল সেই বিষয়ে তদন্ত কৰা হ'ব বুলিও উল্লেখ কৰি শীঘ্ৰেই এই দুখন ৰ'পেক্স জাহাজ চলাচল কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, নিমাতী আৰু কমলাবাৰীৰ মাজত দহখনকৈ ব্যক্তিগত এটা ইঞ্জিনযুক্ত ফেৰী চলাচল কৰে। ইতিমধ্যে এই ফেৰীসমূহ মেৰাইন ইঞ্জিনলৈ পৰিৱৰ্তন কৰিবৰ বাবে নিৰ্দেশ দিয়া হৈছে। ইয়াৰ বাবে চৰকাৰে এটা ইঞ্জিনযুক্ত ফেৰীৰ গৰাকীলৈ দহলাখ টকাকৈ আগবঢ়াব। ইয়াৰে ৭৫ শতাংশ ৰাজসাহায্য হিচাপে আগবঢ়াব আৰু ২৫ শতাংশ তেওঁলোকক ঋণ হিচাপে প্ৰদান কৰা হ'ব। যেতিয়ালৈকে ফেৰীৰ গৰাকীসমূহে তেওঁলোকৰ ইঞ্জিনসমূহ মেৰাইন ইঞ্জিনলৈ পৰিৱৰ্তন নকৰে সেই পৰ্যন্ত এটা ইঞ্জিনযুক্ত ফেৰীসমূহ বন্ধ থাকিব বুলিও তেওঁ ঘোষণা কৰে। নিমাতীঘাটৰ পৰা মাজুলীলৈ ৰ'পেক্স জাহাজ দুখনৰ উপৰি অহা ১৫ দিনৰ ভিতৰত আৰু দুখন নতুনকৈ জাহাজ চলাচল কৰোৱা হ'ব বুলিও তেওঁ ঘোষণা কৰে। ইয়াকে ধৰি নিমাতীঘাট আৰু মাজুলীৰ মাজত মুঠ ছখন চৰকাৰী ফেৰীৰ চলাচল কৰোৱা হ'ব

*(দুই পৃষ্ঠাত চাওক)*

## ৰামদিয়াৰ অৱসৰী প্ৰধান শিক্ষক -প্ৰাক্তন আঞ্চলিক সদস্য সমাজকৰ্মী তৰুণ ডেকাৰ মৃত্যু; ৰামদিয়াত শোকৰ ছাঁ

**অক্ষয় মেধি, বাৰ্তাসেৱা**- হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সত্ৰনগৰী ৰামদিয়াৰ অৱসৰী প্ৰধান শিক্ষক, সাংস্কৃতিক কৰ্মী, সমাজকৰ্মী তৰুণ ডেকাৰ যোৱাকালি নিশা উচ্চৰক্ত চাপজনিত ৰোগত আক্ৰান্ত হৈ গুৱাহাটীস্থিত নাৰায়ণা হৃদয়ালয়ত ভেন্টিলেটৰত প্ৰায় ১৭ দিন ধৰি চিকিৎসাধীন অৱস্থাত ৭৬ বছৰ বয়সত মৃত্যু হয় । মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ ৰামদিয়া অঞ্চলত গভীৰ শোকৰ ছা পৰাৰ লগতে তেখেতৰ মৃতদেহ আহি পোৱাৰ লগে লগে অনেক গুণমুগ্ধ , অনুষ্ঠান - প্ৰতিষ্ঠানৰ ব্যক্তিয়ে শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ তেখেতৰ ঘৰ ভৰি পৰে। ডেকা দেৱ এগৰাকী অৱসৰী প্ৰধান শিক্ষক হোৱাৰ উপৰিও শ্বহীদ খগেন ভৰালী গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য আছিল আৰু ৰামদিয়া পুথিভৰাল আৰু সামূহিক সাংস্কৃতিক কেন্দ্ৰ, ৰামদিয়া দেৱ দামোদৰ সংঘৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি, ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ উপ সভাপতি ৰামদিয়া সমাজ উন্নয়ণ সভাৰ অন্যতম সদস্য, শংকৰদেৱ শিশু বিদ্যা নিকেতন ৰামদিয়াৰ পৰিষদীয় সমিতিৰ সদস্য, বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় ৰামদিয়া, জগদ্ধাত্ৰী পূজা সমিতি, ৰামদিয়া জ্যেষ্ঠ নাগৰিক সন্মিলন , শ্ৰী শ্ৰী হাত ভঙা সত্ৰৰ একনিষ্ঠ সেৱক হোৱাৰ উপৰিও এজন সাংস্কৃতিক মনৰ লোক আছিল । তেখেত ডক্তৰ ভূপেন হাজৰিকা দেৱৰ গীতৰ অনুৰাগী আছিল, বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠানত তেখেতে নিজেই হাৰমনিয়াম বজাই বিভিন্ন গীত পৰিবেশন কৰাৰ উপৰিও তেখেত আছিল এজন সুদক্ষ গীতিকাৰ, সুৰকাৰ । তেখেতে মৃত্যুৰ সময়ত পত্নী, পুত্ৰ বোৱাৰী নাতি জী, জোঁৱাই সহ বহু আত্মীয় স্বজনক এৰি থৈ যায় ,তেখেতৰ মৃত্যুত আমিও শোকাহত, বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলো ।

## ২৫-৩০গৰাকী এচিএছ-এপিএছ বিষয়া গ্ৰেপ্তাৰ হোৱাৰ ইংগিত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ

**বাৰ্তাসেৱা**- ডিব্ৰুগড় আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা ৩৯ এচিএছ-এপিএছ তথা আন সংলগ্ন সেৱাৰ বিষয়াৰ উপৰি অতিৰিক্তভাৱে২৫-৩০ গৰাকী বিষয়া গ্ৰেপ্তাৰ হোৱাটো প্ৰায় নিশ্চিত হৈছে এই কথাৰ ইংগিত দিছে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে অসম চৰকাৰে গঠন কৰা এজনীয়া ন্যায়িক তদন্ত আয়োগৰ অধ্যক্ষ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাই। সংবাদ মাধ্যমত তদন্তৰ অগ্ৰগতি সন্দৰ্ভত কেতবোৰ বিস্ফোৰক মন্তব্য কৰি অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শৰ্মাই কয় যে এতিয়ালৈকে আয়োগে ৩৫ গৰাকীৰো অধিক এচিএছ-এপিএছ তথা সংলগ্ন সেৱাৰ বিষয়াক তলব কৰিছে। সকলো দিশ চালি-জাৰি চাই এইসকল সন্দেহজনক বিষয়ালৈ আয়োগত হাজিৰ হ'বৰ বাবে জাননী জাৰি

*(দুই পৃষ্ঠাত চাওক)*

# আন্তঃৰাষ্ট্ৰীয় সৌন্দৰ্য প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰা কিৰণ বড়োৰ উদ্যোগত হস্ত-তাত বস্ত্ৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন

**অমৰজিৎ ৰাভা, বাৰ্ত্তাসেৱা**- ওদালগুৰি জিলা ৬৫ নং কলাইগাঁও বিধান সভা সমষ্টিৰ অন্তৰ্গত টংলা নিকটৱৰ্তী নিজ মোগল গাঁওৰ পিছপৰা মহিলা সকলক সবলি কৰণ কৰাৰ উদ্দেশ্যৰে কিৰণ বড়োৰ উদ্যোগত হস্ত তাত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন। উল্লেখযোগ্য যে দক্ষিণ আফ্ৰিকাৰ দাৰবান চহৰত ২০১৭ চনত মিচেচ ইউনিভাৰ্চ সন্মান বুটলিবলৈ সক্ষম হোৱা কিৰন বড়োৱে দেশ বিদেশ ঘুৰি পিচপৰা মহিলা সকলৰ সৱলীকৰণৰ হকে দেহে কেহে লাগি থকা কিৰন বড়ো একেধাৰে বোলছবি অভিনেত্ৰী, গায়িকা, আৰু সুদক্ষ খেলুৱৈ কিৰণ বড়োৱে নিজৰ ৫ বিঘা মাটি দান কৰি অঞ্চলটোৰ মহিলা সকলক বোৱা কটা প্ৰশিক্ষণ দি কৰ্ম সংস্থাপনৰ পথ মোকলায় দি বস্ত্ৰ নগৰী শুৱালকুছিৰ দৰে এখন উৎপাদমুখী স্বাৱলম্বী গাঁও নিৰ্মাণ কৰাৰ সপোন ৰছিছে মিচ ইউনিভাৰ্চ কিৰণ বড়োয়ে। যাৰ পৰিপেক্ষিতত কিৰণ বড়োয়ে মদৈবৰি অঞ্চলৰ নিজ মোগল গাঁৱৰ পৰা ৫ বিঘা মাটি দান কৰি হস্ত-তাত বস্ত্ৰ প্ৰশিক্ষণ কেন্দ্ৰ কৰিছে। এতিমধ্যে কেন্দ্ৰ নিৰ্মাণ কাম প্ৰাই সম্পূৰ্ণ হৈছে, সেয়েহে আহা ১২ ছেপ্টেম্বৰ তাৰিখে বিটিচি উপ মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰী আৰু কেবিনেট তথা হস্ত-তাত মন্ত্ৰী ইউ জি ব্ৰাহ্ম উপস্থিত থাকি হস্ত-তাত প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰিব বুলি জানিব দিয়ে। যাক লৈ এতিয়া অঞ্চলটোৰ লোকে উৎফুল্লিত হৈ পৰিছে।



## নিয়োগ বিনিময় কেন্দ্ৰত এতিয়াৰে পৰা অনলাইনযোগে নাম পঞ্জীয়নৰ সুবিধা

**বাৰ্ত্তাসেৱা** — নিয়োগ বিনিময় কেন্দ্ৰত নিজৰ নাম পঞ্জীয়নৰ বাবে এতিয়াৰে পৰা শাৰী পাতি থকাৰ পৰিৱৰ্তে অনলাইনযোগে ঘৰত বহিয়েই নিবনুৱাসকলে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। ইয়াৰোপৰি চাকৰি লাভ কৰাৰ পাছত পুলিচ ভেৰিফিকেচন অহালৈ অপেক্ষা কৰিব নালাগে নিবনুৱাসকলে। কিয়নো এতিয়াৰে পৰা পুলিচ ভেৰিফিকেচনৰ পৰিৱৰ্তে নিজেই শপতনামা দাখিল কৰি চাকৰিত যোগদান কৰিব পাৰিব নিযুক্তিৰ বাবে যোগ্য নিৰ্বাচিত হোৱা যুৱক-যুৱতীয়ে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত হোৱা ৰাজ্যিক কেবিনেটৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত গ্ৰহণ কৰা হৈছে এলানি গুৰুত্বপূৰ্ণ সিদ্ধান্ত। সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা এমপ্লইমেণ্ট এক্সেঞ্জলৈ গৈ নাম পঞ্জীয়ন কৰিব নালাগে নিবনুৱাসকলে । কেবিনেটৰ সিদ্ধান্ত সদৰী কৰি জ্যেষ্ঠ মন্ত্ৰী কেশৱ মহন্তই এক সংবাদমেলত কয় যে আধাৰকাৰ্ডৰ ভিত্তিত অনলাইনযোগে নিবনুৱা যুৱক-যুৱতীসকলে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব নিয়োগ বিনিময় কেন্দ্ৰত। যিসকল যুৱক-যুৱতীৰ এতিয়াও আধাৰকাৰ্ড নাই তেওঁলোকে নিজৰ নাম পঞ্জীয়ন কৰিবলৈ অহা ৩০ ছেপ্টেম্বৰলৈ এমপ্লইমেণ্ট এক্সেঞ্জলৈ গৈ অফলাইনযোগে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। কিন্তু ১ অক্টোবৰৰ পৰা অফলাইনযোগে নাম পঞ্জীয়নৰ কোনো ব্যৱস্থা নাথাকে। ইয়াৰ পৰিৱৰ্তে অনলাইনযোগে আধাৰৰ ভিত্তিত এমপ্লইমেণ্ট এক্সেঞ্জত নিজৰ নাম ই-পঞ্জীয়ন কৰিব পাৰিব নিবনুৱাসকলে।

## সুস্মিতা দেৱ হ'ব ৰাজ্যসভাৰ সাংসদ



**বাৰ্ত্তাসেৱা**- সৰ্বভাৰতীয় মহিলা কংগ্ৰেছৰ সভানেত্ৰীৰ দৰে গুৰু দায়িত্বত থাকি দল এৰা সুস্মিতা দেৱে পশ্চিমবংগৰ পৰা ৰাজ্যসভাৰ প্ৰতিনিধি হিচাপে দিল্লীলৈ যাব। জানিব পৰামতে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিছে। সূত্ৰটোৱে জনোৱা অনুসৰি সুস্মিতা দেৱ তৃণমূল কংগ্ৰেছলৈ যোৱাৰ প্ৰধানকৈটামান চৰ্তৰ ভিতৰত ৰাজ্যসভালৈ নিৰ্বাচিত কৰাটো অন্যতম আছিল। এই চৰ্ত অনুসৰিয়ে সুস্মিতা দেৱে মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছত যোগদান কৰিছিল। এইগৰাকী নেত্ৰীক ৰাজ্যসভাৰ সাংসদৰূপে নিৰ্বাচিত কৰি অসম তথা ত্ৰিপুৰাত দলৰ প্ৰভুত্ব অধিক বিস্তাৰিত কৰিব বিচাৰিছে মমতা বেনাৰ্জীয়ে। ৰাজ্যসভা নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ বাবে যাৱতীয় নথি-পত্ৰ মজুত কৰাত তৎপৰ হৈ পৰিছে সুস্মিতা দেৱ।

## মাজুলীৰ দলংখন অত্যন্ত সাৱধানতাৰে নিৰ্মাণ কৰিব লাগিব-কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল

**বাৰ্ত্তাসেৱা** — অসমৰ সদ্যপ্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্ত্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাজুলীবাসীৰ লগতে অসমবাসীক এইবুলি প্ৰতিশ্ৰুতি দিয়ে যে অন্য দলঙৰ তুলনাত এই দলংখনৰ কাম সোনকালে সম্পূৰ্ণ হ'ব। সংঘটিত হোৱা শোকাৱহ দুৰ্ঘটনাটোৰ পাছত বিভিন্ন পক্ষই মাজুলীলৈ নিৰ্মীয়মাণ দলংখন সম্পূৰ্ণ নোহোৱাৰ বাবে পূৰ্বৰ চৰকাৰখনক কৰা সমালোচনাৰ প্ৰত্যুত্তৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাইজৰ এই ক্ষোভভৰা মন্তব্যক সমৰ্থন কৰি কয় যে চৰকাৰেও দলংখন সোনকালে নিৰ্মাণ হোৱাটো বিচাৰে। প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে যোৰহাট-মাজুলী সংযোজিত দলংখনৰ প্ৰসংগত উল্লেখ কৰি কয়- 'ৰাজনীতিৰ কথা নাহে, মাজুলীৰ দলংখন অত্যন্ত সাৱধানতাৰে নিৰ্মাণ কৰিব লাগিব। কাৰণ ইয়াৰ জৰিয়তে মাজুলীলৈ স্থায়ী যাতায়াত ব্যৱস্থাৰ কথা আছে। এই দলংখন নিৰ্মাণত আমাৰ আন্তৰিকতা আছে। আমি লাগি আছো আৰু ভৱিষ্যতেও লাগি থাকিম, দলংখনৰ কাম সোনকালে সম্পূৰ্ণ কৰিব লাগিব।' উল্লেখ্য যে নিমাতীঘাটত সংঘটিত হোৱা শোকাৱহ ফেৰী দুৰ্ঘটনাত ব্যথিত হৈ পৰা মাজুলীৰ বিধায়ক তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দুৰ্ঘটনাত আক্ৰান্ত লোকসকলৰ খা-খবৰ লোৱাৰ বাবে দিল্লীৰ পৰা তততাতৈয়াকৈ আহি গুৱাহাটীত উপস্থিত হয় আৰু পাছদিনা পুৱাই তেওঁ গুৱাহাটীৰ পৰা মাজুলীলৈ ৰাওনা হয়। গুৱাহাটীত উপস্থিত হৈয়েই কেন্দ্ৰীয় জাহাজ দপ্তৰৰ মন্ত্ৰীগৰাকীয়ে কয় যে ভৱিষ্যতে যাতে এনে শোকাবহ ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ প্ৰতি সকলো পক্ষই সচেষ্ট হ'ব লাগিব। মাজুলীত দলং নিৰ্মাণ হ'বই বুলি মন্তব্য কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে অহা চাৰি বছৰত দলংখন সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত কোনো ত্ৰুটি কৰা নহ'ব। ইতিমধ্যে দলং নিৰ্মাণৰ বাবে দায়িত্ব লাভ কৰা কনষ্ট্ৰাকচন কোম্পানীটোৱে মাজুলী আৰু যোৰহাটত বাহৰ পাতিছে আৰু যোৰহাট তথা মাজুলী জিলাত দলংখনৰ দুয়োমূৰ সংযোজিত এলেকাত প্ৰয়োজনীয় মাটিও অধিগ্ৰহণ কৰা হৈছে। দলং নিৰ্মাণৰ পূৰ্বে প্ৰয়োজনীয় পথ আদি নিৰ্মাণৰ কাম-কাজৰ ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি মন্তব্য কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে দলংখন নিৰ্মাণৰ ক্ষেত্ৰত অসম চৰকাৰ আৰু ভাৰত চৰকাৰে দায়বদ্ধতাৰে পদক্ষেপ গ্ৰহণ কৰিছে।

## শীঘ্ৰেই ৰ'-পেক্স জাহাজৰ

বুলি তেওঁ জানিবলৈ দিয়ে। আনহাতে, নিমাতী আৰু কমলাবাৰীৰ মাজত ৰ'পেক্স সেৱা অব্যাহত ৰাখিবৰ বাবে ব্ৰহ্মপুত্ৰৰ বুকু খনন কৰি এই জলপথছোৱা জাহাজ চলাচল কৰিবৰ বাবে উপযোগী কৰি তোলা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। তদুপৰি চৰকাৰী জাহাজ চলোৱাৰ ক্ষেত্ৰত ভুল সময় দিয়া হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এনে ভুল সময়ৰ বাবেই সৰ্বসাধাৰণ যাত্ৰী ব্যক্তিগত ফেৰীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এই ক্ষেত্ৰত চৰকাৰে চোকা দৃষ্টি ৰাখিব বুলি উল্লেখ কৰি কয় যে এই ফেৰী সেৱাসমূহ চলাচলৰ ক্ষেত্ৰত সময়।

## ২৫-৩০গৰাকী এচিএছ-এপিএছ

কৰা হৈছিল। আয়োগৰ এই জাননীৰ ভিত্তিত সংশ্লিষ্ট বিষয়াসকলে নিজৰ নিজৰ মন্তব্য ৰাখিছে। জাননী জাৰি কৰা বিষয়াসকলে প্ৰদান কৰা মন্তব্যৰ লগতে আয়োগে আদালতত চলি থকা গোচৰৰ নথি-পত্ৰ চাই তথা আয়োগে নিজেও সংগ্ৰহ কৰা নথি-পত্ৰ, ফৰেন্‌চিক লেবৰেটৰীৰ নথি-পত্ৰ আদি সকলো নথি-পত্ৰ পুংখানুপুংখ পৰ্যবেক্ষণ কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। অচিৰেই ৰাজ্য চৰকাৰৰ ওচৰত আয়োগে এই প্ৰতিবেদন দাখিল কৰিব আৰু এই প্ৰতিবেদনৰ দ্বাৰা ইতিপূৰ্বে গ্ৰেপ্তাৰ হোৱা ৩৯ গৰাকী বিষয়াৰ উপৰি আন ২৫-৩০ গৰাকী বিষয়া গ্ৰেপ্তাৰ হোৱাৰ ইংগিত দিছে অৱসৰপ্ৰাপ্ত ন্যায়াধীশগৰাকীয়ে।

# মাজুলীৰ আৰ্তনাদ

মঞ্জুষা শৰ্মা

২০২১ চনৰ ৮ চেপ্তেম্বৰ দিনটোত পুনৰ আৰু এটা ঘটনা সংযোগ হৈ ইতিহাসৰ পাতত স্মৰণীয় হৈ ৰ'ল । এই বছৰৰ এই দিনটোতে গুৰুজনা শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাব তিথিৰ লগতে সুধাকণ্ঠ প্ৰয়াত ডঃ ভূপেন হাজৰীকাদেৱৰ জন্ম তিথি। ইমান সুন্দৰ ভাৱে উদযাপন কৰি থকা সময়খিনিৰ শেষৰফালে যে গোপনে হাঁহি হাঁহি বৈ আছে নিয়তিৰ নিষ্ঠুৰ উপহাস তাকতো কাৰোৰে বিদিত নহয় । আচৰিত বেলি লহিয়াৰ মূহুৰ্ত্ততেই যেন নিয়তিয়ে নিজৰ নিষ্ঠুৰ নয়নৰ কোপদৃষ্টি মেলি দিলে 'মা কমলা' নামৰ কমলাবাৰী অভিমুখী ফেৰীখনৰ ওপৰত । মহাবাহু বৰলুইতেও যেন মহাশক্তিৰে নিষ্ঠুৰ নিয়তিৰ হাতৰ পৰা ৰক্ষা পাবলৈ সেই ফেৰীত থকা যাত্ৰীসকলৰ মনত সাহস আৰু ধৈৰ্যৰে জীৱন ৰক্ষাৰ বাবে অপ্ৰাণ চেষ্টাৰ প্ৰেৰণা যোগাইছিল । সেয়ে হয়তু ইমান তীব্ৰ সোঁত আৰু ভৰা লুইতৰ বুকুৰ পৰা সহজেই নিজৰ জীৱন বেছি সংখ্যকেই লাভ কৰিবলৈ সক্ষম হৈছিল । ভগৱানৰ আশিস থকাৰ বাবেই হয়তু বতৰেও সহায় কৰিলে সকলোকে । কিন্তু ইমানৰ মাজতো যি কেইজন বৰ্তমানেও সন্ধানহীন হৈ আছে তেওঁলোকৰ বাবেও সকলোৱে ভগৱানৰ ওচৰত কাতৰে প্ৰাৰ্থনা জনাই ৰৈছে । বৰ দুখৰ বা সহ্য কৰিব নোৱাৰা কথাটোৱেই হৈছে গুৱাহাটীৰ কাহিলিপাৰাৰ নিবাসী মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা পৰিমিতা দাসৰ কৰুণ মৃত্যু। যি ঘটনাই মোক আকৌ এবাৰ মাজুলীৰ সেই পৰিবহন ব্যৱস্থাৰ পুতৌ লগা অৱস্থাটোৰ কথা সোঁৱৰাই মন ভাৰাক্ৰান্ত কৰি তুলিছে । ২০১৭ চনৰ কথা। তেতিয়াৰ শিক্ষামন্ত্ৰী বৰ্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা দেৱে ঘোষণা কৰিলে যে সকলো বিদ্যালয়ৰ শিক্ষক - শিক্ষয়িত্ৰীয়েই ডি. এল. এড. পাছ কৰিবই লাগিব তেতিয়াহে শিক্ষকতাৰ দৰে বৃত্তিটোৰ বাবে উপযুক্ত হিচাপে স্বীকৃতি পাব । তাৰ লগতে সকলোৱে বেতনো এক নিৰ্দিষ্ট ৰূপত ধৰি দিয়া হ'ব । অকল সেইটোৱেই নে যি সকল ব্যক্তিয়ে দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ নিয়ম অনুসৰি ৫০ বা ৪৫ % নম্বৰ নথকাকৈ এই সন্মানীয় পদত আছে । তেনে সকলে এই নিয়ম মানি পুনৰ পৰীক্ষা দি ৫০ %% আৰু ৪৫ % নম্বৰ উঠাই ডি . এল . এড.ৰ মাৰ্কচিটৰ লগত স্কুল অফিচত জমা দিব লাগিব। লাগিল হুৱাদুৱা । সাঁচতীয়া পইচা খৰচ কৰি চৰকাৰৰ নিৰ্দেশ মানি ডি.এল.এড সম্পূৰ্ণ কৰা হ'ল । কিন্তু হ'ল জানো কিবা লাভ । কাৰণ সেই জাননীয়ে মাথো চৰকাৰৰ পুঁজিহে টনকীয়াল কৰিলে । বেচৰকাৰী আৰু অপ্ৰাদেশীকৃত শিক্ষক সকলৰ মূৰত ৰাম টাঙোন মাৰি । এই ডি. এল .এডৰ বাবে NIOS নামৰ এটি সংস্থাৰ সহায়ত বিভিন্ন ঠাইত কেন্দ্ৰ খুলি পৰীক্ষা দিয়াৰ সুবিধা কৰি দিছিল । সেই সুযোগতেই আমাৰ দৰে বহুতেই মাজুলীৰ ছমহীয়া আতি হাইস্কুলৰ কেন্দ্ৰত পৰিছিলো । প্ৰথমখন ফেৰীত গৈ মাজুলীৰ পৰা ছমহীয়া আতিলৈ গৈছিলো । ফেৰীত উঠিবৰ সময়ত যি পৰিস্থিতি হয় ভাবিলে এতিয়াও ভয় লাগি যায় । গাড়ী , বাইক উঠাওতে ফেৰীখন পানীৰ সোঁতত ইফাল সিফাল হৈ যায়। আমাৰ বাবে নতুন অভিজ্ঞতা । তাতে ফেৰীৰ ওপৰত গাড়ী তলত মানুহ বহাৰ আসন । কোনো এখনত বাইক থওতে ওপৰৰ পৰা ঘুগুলাবোৰ আহি গায়ে - মূৰে পৰেহি । বহুত বেচি বাহন তথা যাত্ৰী। ফেৰীৰ ভিতৰৰ আসনত বহা যাত্ৰীতকৈ থিয় হৈ যোৱা যাত্ৰীৰ সংখ্যাহে অধিক । লাগে সি বাহিৰতেই হওক বা ভিতৰতেই হওক । ফেৰীৰ ভিতৰলৈ যাওঁতে খটখটিয়েদি তললৈ যাব লাগে। সেই সময়তে থেলা - হেঁচা হয় আসনৰ বাবে । অন্যহাতে নামিবৰ সময়তো হোৱা পৰিস্থিতি লৈ মনত পৰিলে এতিয়াও চকুপানী ওলাই আহে। কিযে এক যন্ত্ৰণা । বন্ধ বাকচ সদৃশ ফেৰীৰ পৰা ওলাবলৈও সেই একেই খটখটীত হেঁচোথেলা। নহ'বনো কিয় ?? কাৰণ ফেৰীৰ পৰা নামি যদি ছমহীয়া আতিলৈ যায় তেন্তে আপুনি সত্ৰ নগৰীৰ সন্মান ৰাখি অসমীয়া নাৰীৰ সাজ - পাৰ নিপিন্ধাই ভাল হ'ব যেন লাগিল। তাৰ ঠাইত বৰ্তমানৰ মহিলাই পৰিধান কৰা সাজপাৰ পিন্ধাইহে বেছি ফলপ্ৰসূ হ'ব । যিটো সাজ পিন্ধিবৰ বাবে ক'বলৈ মোৰ বিবেকে নকয় তথাপিও মোৰ নিজৰ অভিজ্ঞতাৰ পৰা ক'বলৈ বাধ্য হৈছো। ফেৰীৰ পৰা নামি প্ৰাণটাকি দৌৰক কাৰণ অলপ দূৰত বৈ থাকে তালৈ যাবলৈ চৰকাৰী ৰঙা বাছখন । য'ত ভাড়া কম আৰু এখনেই মাত্ৰ বাছ। তাৰ পিছত অত্যাধিক ভাড়া ভৰি মেজিক ভাড়া কৰি যাওক আপুনি সুদূৰ বিদ্যালয় খনলৈ। প্ৰায় ২ ঘণ্টামান সময়ৰ পিছত গৈ স্কুলখন পালোগৈ । কিন্তু মাজুলীত যেন মাত্ৰ দৌৰাৰহে প্ৰতিযোগীতা চলে । বাছৰ পৰা নামি পুনৰ দৌৰ আৰম্ভ কৰা নহ'লে যে নহ'ব । মেখেলা চাদৰেই ধৰিবানে বেগেই ধৰিবা । কোনোমতে গৈ যেনিবা স্কুলখন পালোগৈ । তাত আমালৈ অপেক্ষা কৰি থকা ছাৰজনে আমাক কৰা ব্যৱহাৰত মইতো আচৰিত হৈ গলো। আমাক দেখাৰ লগে লগে আপোনালোক পালেহিনে ? এতিয়া দুগৰাকী গৈ কাৰ্যালয়ৰ কাষৰ বাথৰূমত গৈ মুখ -হাত ধুই আহক। আন দুগৰাকীয়ে নিজৰ লাগতিয়াল নথি পত্ৰসমূহ সাজু কৰক আৰু দুগৰাকীক সন্মুখত সাজু কৰি ৰখা চকীত বহিবলৈ দি কামত লাগি গ'ল। কি নিয়ম এইবোৰ ৰ'বলৈকে দিয়া নাই । যাৰ হৈছে তেওঁলোকক লগে লগেই পঠিয়াই দিলে বাছ ৰখোৱা স্থানলৈ । তেখেতৰ কথামতেই অতি কম সময়ৰ ভিতৰতেই সকলো কাম শেষ কৰি পুনৰ প্ৰায় দৌৰি বাছ ৰখোৱা ঠাই পাই দেখো যে ইতিমধ্যে বাছখন আহি ৰৈ আছে । প্ৰথমে আহা সকলে বাছখন ৰখাই থৈছে নহ'লে যে উভতি অহাৰ কোনো উপায়েই নাই । বাছত উঠি যেতিয়া সেই কথা গম পালো তেতিয়া দুধাৰি চকুলো বাধাহীন ভাৱে বৈ আহিল নীৰৱে। তাৰ সমানে সমানে খং আৰু দুখত দিশহাৰা হৈ পৰিছো মাজুলী বাসীৰ কথা ভাবি । যদি কিবা কাৰণত যিমান গুৰুত্বপূৰ্ণই নহক কিয় বাছখন নাপালেটো সেইদিনটোৰ কোনো মূল্যই নাথাকিব । বাছখন যায় নয়াবজাৰলৈকে । আজিৰ এই যান্ত্ৰিকতাৰ যুগতো যে মাজুলীৰ ছমহীয়া আতিঁ, নয়াবজাৰ আদিৰ মানুহৰ কি বিলৈ । কি ধৰণে বাৰু জীৱন অতিবাহিত কৰিছে তেওঁলোকে ?? বতৰ বেয়া হ'লেতো ফেৰীও যাব নোৱাৰে। আমাৰ ইয়াত কোনো মানুহেইতো খোজ কাঢ়ি ক'তো নাযায় , ১০ / ১৫ মিনিটৰ অন্তৰে অন্তৰে গাড়ী চলে । কিন্তু তাত আজিও এখন বাছলৈ অপেক্ষা কৰি জীৱন কটাব লগীয়া হৈছে কিয় ? কোনে বুজিব এই কৰুণ কাহিনী । ৰাতি কিবা এটা হ'লে আমিতো গুৱাহাটীলৈ লৈ যাওঁ আমাৰ আঘাটপ্ৰাপ্ত বা ৰোগীয়া ব্যক্তিজনক । তেন্তে কি সেই ঠাইৰ মানুহবোৰৰ তেনে বেমাৰ বা দুৰ্ঘটনা নহয় নেকি ? নে চকুৰ আগতে মৃত্যু হ'বলৈ এৰি দিয়ে তেওঁলোকে ?? কিমান যে ভাবিব নোৱাৰা , কল্পনা কৰিব নোৱাৰা এক কদৰ্যময় , দুৰ্যোগে ভৰা জীৱন অতিবাহিত কৰিব লগীয়া হৈছে মাজুলীবাসীয়ে । যি সময়ত বিশ্বখ্যাত সত্ৰ নগৰী বৃহত্তৰ নদী দ্বীপ মাজুলীয়ে অসমীয়া সমাজৰ ধৰ্মীয় তথা লোক সংস্কৃতিৰ ধ্বজা বহন কৰি বিশ্ব দৰবাৰত অসমীয়া জাতিক উচ্চ শিৰে উন্মোচিত কৰিছে ঠিক সেই সময়তে নিজস্ব নীতি এৰি নিজ স্বাৰ্থ সিদ্ধিৰ বাবে সহজ সৰল অসমীয়া জনগণক চলাহী কথাৰে আভুৰা ভৰাই এই সত্ৰনগৰীৰ জনগণৰ জীৱন - সম্পত্তিৰ লগত হেতালি খেলিছে কিয় ? যদি আজিৰ যুগত তেওঁলোকৰ জীৱনৰ কোনো মূল্যই নাই তেন্তে এইবোৰ ভাষণৰ মূল্যই বা ক'ত ? এই কৰুণ ঘটনাৰ বাবে যেন আমাৰ বৰমূৰীয়া সকলেই জগৰীয়া নহয় নে বাৰু ? যি নিজৰ বাবেই নহয় তেওঁলোকৰ কেইবা পুৰুষৰ বাবেই সাঁচি থৈ যাব বিচাৰে ধন - সম্পত্তি । এই সন্ধিক্ষণত মাজুলীবাসীৰ জীৱন ৰক্ষা কৰিবলৈ সকলো এক গোট হও আহক । "একতাই পৰম বল", "মাউখে উটিলে গুড়ি পৰুৱাবো মৰণ নাই " এই বাক্য কেইশাৰীৰ মহত্ব বুজি আমি সকলো মিলি মাজুলী বাসীৰ নাৰ্য প্ৰাপ্ত লাভ কৰাত সহায় কৰো । চৰকাৰক বুজাই সন্মত কৰাও তাৰ পৰিবহণ ব্যৱস্থা উন্নত কৰিবলৈ উচিত পদক্ষেপ লবলৈ ।

## সুধাকণ্ঠ

প্ৰস্তুতি শৰ্মা,
গোলাঘাট বাণিজ্য মহাবিদ্যালয়



এটা জীৱন্ত নাম
সুধাকণ্ঠ
যাৰ সুৰৰ লহৰে লহৰে
গীতৰ ভাঁজে ভাঁজে
প্ৰৱাহমান
অসীম সাহস আৰু স্বদেশ প্ৰেমৰ ভাষা
সুধাকণ্ঠ
তুমি বৈ আছা
বতাহৰ দৰে
নদীৰ দৰে
হৃদয়ে হৃদয়ে
প্ৰাণে প্ৰাণে
আমাৰ উশাহে বতাহে।।।

# "এই সময়" - অমৰ শ্বহীদ যশৱন্ত সিং

দীপিকা বৰুৱা
নেহৰু পাৰ্ক, যোৰহাট-১



যশৱন্ত সি এটা নমস্য নাম। যিজন দেশপ্ৰেমীকে নিজৰ ঘৰ, গাঁও, পিতৃ-মাতৃক ত্যাগ কৰি ১৯৬২ চনৰ ভাৰতক চীনা আক্ৰমনৰ যুদ্ধত নিজকে আহুতি দিছিল। যশৱন্ত সিং ডেৰাডুনৰ এটা দৰীদ্ৰ পৰিয়ালৰ সন্তান আছিল। ডাঙৰ হৈ তেওঁ খালী দেশমাতৃৰ সেৱাৰ সপোন দেখিছিল। সেয়ে এদিন স্বইচ্ছাৰে সৈন্যবাহীনিত যোগদান কৰিছিল। ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধত তেওঁ নিজকে উচৰ্গা কৰি যুদ্ধত জপিয়াই পৰিছিল। হেজাৰ হেজাৰ চীনা সৈন্যক তেওঁ প্ৰৱল প্ৰতাপে যুদ্ধ কৰি ধাৰাসায়ী কৰিছিল। তেওঁৰ বীৰত্ব দেখি চীনা সৈন্য পিছুৱাই যাবলৈ বাধ্য হৈছিল। এইদৰে যুদ্ধ হৈ থাকোতেই এদিন এটা মূহুৰ্ত্তত তেওঁ নুৰা নামৰ অৰুণাচলী সুন্দৰী গাভৰুৰ লগ পাইছিল। নুৰা তেওঁৰ প্ৰেমত পৰি প্ৰেম নিবেদন কৰিছিল। কিন্তু যশৱন্ত সিঙে তেওঁৰ প্ৰেম প্ৰত্যাহাৰ কৰিছিল। শেষত নুৰাই এই যুদ্ধতে মৃত্যুবৰণ কৰিব লগা হৈছিল।

*(ছয় পৃষ্ঠাত চাওক)*

# পৃথিৱী আজি ড্ৰাগছত আক্ৰান্ত - শৈক্ষিক পাঠ্যক্ৰমত ড্ৰাগছ আৰু ইয়াৰ ভয়াবহতাৰ বিষয়ে অন্তৰ্ভুক্ত কৰক

ড: মিজানুৰ ৰহমান, ধৰ্মশালা, ধুবুৰী



যি বস্তু সেৱন কৰিলে মানুহৰ শাৰীৰিক, মানসিকভাৱে তিল তিলকৈ অৱক্ষয় ঘটে সেই বস্তুৰ প্ৰতি আজি গোটেই পৃথিৱীখন কিয় কেনেকৈ ইমান ভয়ংকৰভাৱে আসক্তি হ'ল? যি কাৰ্য সামাজিকভাৱে, ধাৰ্মিকভাৱে, বৈজ্ঞানিকভাৱে কোনো দিশতে অনুমোদিত নহয়, নিষেধাজ্ঞাও কৰা হৈছে সেইটো কৰাৰ প্ৰৱণতা ইমানেই বেছি হ'ল যে আজি বহুতো পৰিয়াল ইয়াৰ কবলত পৰি পংগু হৈ গৈছে। ইয়াৰ কাৰণ বিচাৰি গ'লে দেখা যাব যে লগৰীয়াৰ সমৰ্থন বা হেঁচা, ড্ৰাগছ সেৱনকাৰী পিতৃ-মাতৃ, চিনেমাৰ প্ৰভাৱ, পিতৃ-মাতৃৰ দ্বাৰা উপেক্ষিত, ঘৰুৱা অশান্তি, পাশ্চাত্যক অনুসৰণ আদি। এনে ধৰণৰ কাৰণৰ গ্ৰাসত পৰি আজি ড্ৰাগছৰ দ্বাৰা প্ৰধানকৈ আক্ৰান্ত দেশ আমেৰিকাৰ পৰা আৰম্ভ কৰি আমাৰ দেশতো গুৱাহাটীকে ধৰি সমগ্ৰ উত্তৰ-পূব, কলকতা, মুম্বাই আদি চহৰ-নগৰ, গাৱেঁ-ভূৱেঁ ড্ৰাগছে ভয়ানকভাৱে ছানি ধৰিছে।

বৰ্তমান সংবাদ মাধ্যমত বিশেষকৈ অসমত অবিৰতভাৱে ড্ৰাগছ আক্ৰান্তৰ বাতৰি দেখি সকলোৱে অনুমান হৈছে সমগ্ৰ ৰাজ্যখন ড্ৰাগছৰ গ্ৰাসত কিমান গভীৰতালৈ গুচি গৈছে। বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰী, কিশোৰ-কিশোৰী ইয়াৰ দ্বাৰা অধিক আক্ৰান্ত হৈছে। ফলত আজি ড্ৰাগছৰ ব্যৱহাৰে শাৰীৰিক, মানসিক আৰু সামাজিক তথা অৰ্থনৈতিক দিশত যুৱ সমাজৰ মাৰাত্মক ক্ষতি সাধন কৰি আহিছে। দিনক দিনে ড্ৰাগছ সেৱনকাৰী ইমান পৰিমানে বৃদ্ধি হৈছে যে আজিকালি ড্ৰাগছ লোৱাটো যেনিবা এক ফেশ্বনত পৰিণত হৈছে। ড্ৰাগছ নাপালে আজিৰ যুৱ প্ৰজন্মই অত্যধিক মাত্ৰাত উত্ৰাৱল হৈ পৰে, যেনিবা এই উত্তেজক দ্ৰব্য নাপালে পৃথিৱীখনে অচল হৈ যাব। কেতিয়াবা ফাৰ্মাচীয়ে বাৰম্বাৰ ছিৰিঞ্জ নিদিয়াৰ আশংকাত একেটা ছিৰিনঞ্জজকে ব্যৱহাৰ কৰাৰ ফলত ড্ৰাগছ আক্ৰান্তবোৰক এইডছৰ দৰে আত্মঘাতী ৰোগো দেখা দিয়ে। এনেদৰে ড্ৰাগছ সেৱনকাৰীক তিল তিলকৈ মৃত্যুৰ পথলৈ ঠেলি দিয়ে আৰু সমগ্ৰ পৰিয়ালটোলৈ অন্ধকাৰ নমাই আনে। এই ড্ৰাগছৰ নিচাৰ বাবে হত্যা, লুণ্ঠন, ধৰ্ষণ আদি অপৰাধবোৰ বেছিকৈ সংঘটিত হ'বলৈ ধৰিছে। ড্ৰাগছৰ আসক্তি ইমানে ভয়াবহ হৈ পৰিছে যে শেহতীয়াকৈ ইলেক্ট্ৰনিক মাধ্যমত দেখা পোৱা মতে অসমৰে এখন জিলাত ড্ৰাগছ আক্ৰান্ত এজনক আৰক্ষীয়ে কৰায়ত্ত কৰি নি গাড়ীত উঠাওতে "মোক ড্ৰাগছ লাগিব", "মোক ড্ৰাগছ লাগিব" বুলি পাগলৰ দৰে উত্ৰাৱল হৈ চিঞৰিছে। এই ড্ৰাগছৰ নিচাৰ তীব্ৰতা যথেষ্ট বেছি, এৰিব বিচাৰিলেও কেতবোৰ উইথড্ৰৱেল ছিনড্ৰ'মে আগুৰি ধৰে।

সমগ্ৰ ৰাজ্যখন কেনেকৈ ড্ৰাগছৰ এনে কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ হ'ব? ড্ৰাগছমুক্ত অসম বা ভাৰত কেতিয়া দেখিবলৈ পাম? ড্ৰাগছ উৎপাদনকৰ্তাবোৰে বেপাৰ বানিজ্যৰ সমান্তৰালকৈ আজিৰ যুৱ সমাজৰ বাবে অভিভাৱকৰ দৃষ্টিভংগীৰে চোৱা উচিত। চৰকাৰে ড্ৰাগছ উৎপাদন নিষিদ্ধ কৰিব নোৱাৰিলে বিদ্যালয়বোৰত শৈক্ষিক পাঠ্যক্ৰমত ড্ৰাগছ আৰু ইয়াৰ ভয়াবহতাৰ বিষয়সমূহ অন্তৰ্ভুক্ত কৰাটো অত্যন্ত প্ৰয়োজনীতা হৈ পৰিছে। ড্ৰাগছ আক্ৰান্তবোৰক উদ্ধাৰ কৰা কেৱল চিকিৎসকৰ দায়িত্ব নহয়, অভিভাৱক, বন্ধু-বান্ধৱী, আত্মীয়-স্বজনৰ সহযোগিতাৰ লগতে শিক্ষক শিক্ষয়িত্ৰীৰো যথেষ্ট ভুমিকা আছে। পাঠ্যক্ৰমৰ বাধ্যকৰণ থাকিলে শিক্ষক-শিক্ষয়িত্ৰীৰ মাধ্যমেদি ছাত্ৰ-ছাত্ৰী বা যুৱ প্ৰজন্মৰ বাবে ড্ৰাগছবোৰোধী সচতেনতা সক্ৰিয় হৈ থাকিব। কাৰণ, আজিৰ দিনত যুৱ প্ৰজন্মই ড্ৰাগছৰ ভয়াবহতাৰ কথা নাজানি বা ভ্ৰক্ষেপ নকৰি নিজকে ড্ৰাগছৰ কবলত আৱদ্ধ কৰি লৈছে।

সেইবাবে চৰকাৰে বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈকে নিয়মিতভাৱে ড্ৰাগছবিৰোধী সজাগতামুলক কাৰ্য্যসূচী ৰূপায়ন কৰি সকলো প্ৰকাৰৰ সংবাদ মাধমৰ যোগেদি প্ৰচাৰকাৰ্য্য চলাই যোৱাটো বাঞ্চনীয় কৰিব লাগে। ড্ৰাগছবিৰোধী ক্ৰিমিনেল আইনখন আৰু প্ৰৱল কৰি কোনো অপৰাধীয়ে সাৰি নোযোৱাকৈ প্ৰস্তুত কৰিলে যুৱ সমাজৰ বাবে সতৰ্কতাৰ ভেঁটি হ'ৰব। প্ৰতিখন জিলাতে স্বাস্থ্য বিভাগৰ সহযোগিতাত এন্টিড্ৰাগ ছেল স্থাপন কৰি ড্ৰাগছবিৰোধী অভিযান সফল কৰিবলৈ টোলফ্ৰী নম্বৰৰ ব্যৱস্থা কৰিলে অভিভাৱক, বন্ধু-বান্ধৱী, আত্মীয়-স্বজন আদিয়ে নিজৰ পৰিয়ালৰ ড্ৰাগছ আসক্তি বক্তিক নিয়ন্ত্ৰণ কৰাৰ আশংকা কৰিব পাৰি। ছাত্ৰ-ছাত্ৰী, যুৱ সমাজ স্বাস্থ্যৱন্ত হৈ থাকিলেহে সমাজৰ স্বাস্থ্য আৰু ন্যায় এটা মুদ্ৰাৰ ইপিঠি সিপিঠি হৈ থাকিব।

# ওপজা দিনটো আহিলেই সাৰ পাই উঠে- অসমীয়া জাতিৰ সমগ্ৰ সত্বা

মানসী মিশ্ৰ



হৃদয়ৰ মনিকোঠাত যি সকলক আলফুলে সযতনে ভৰাই লোৱা হয়, সেইসকল কেতিয়াও স্মৃতি হৈ নাযায়। মনৰ মনিকোঠাত স্থায়ী হৈ ৰয় তেওঁলোক। সেইবাবেই শতিকাটোৰ শ্ৰেষ্ঠ অসমীয়া ড০ ভূপেন হাজৰিকা নামৰ বিশাল ব্যক্তিত্বৰ অধিকাৰী সেই ব্যক্তিজন আমাৰ নিচেই কাষতে থকা যেন লাগি আছে। তেখেতৰ গীতৰ প্ৰতিটো শব্দ, সেই সুৰৰ মায়াবী শক্তি এতিয়াও আমাৰ চৌপাশে বাজি আছে। শৈশৱৰ পৰাই ড০ ভূপেন হাজৰিকাৰ সৃষ্টি ৰাজিৰ একান্ত অনুৰাগি এতিয়াও সেই অনুৰাগ, অনুভূতি একেই আছে আৰু আগলৈও একেই থাকিব। ইয়াৰ মূলতেই হয়তো ড০ ভূপেন হাজৰিকাৰ সৃষ্টি ৰাজিৰ জীৱনৰ প্ৰতিটো স্তৰৰ ব্যক্তিকে সমানে আনন্দ দিব পৰাকৈ এক সন্মোহিনী শক্তি আছে। এই প্ৰিয় মানুহজনৰ গীতৰ এটা কলি দূৰৰ পৰা ভাহি আহিলেও এতিয়া এইটোহে অনুভৱ হয় যে ভূপেন হাজৰিকাই পাঁচটা বছৰ আগতেই মেলানি মাগিছে দূৰ দিগন্তলৈ। স্মৃতিক ধৰি ৰাখিব পাৰি, বোকোচাত লৈ ফুৰিব পাৰি কিন্তু মৃত্যুক বাধা দি ৰাখিব নোৱাৰি। জীৱ জগতৰ, প্ৰকৃতিৰ চিৰন্তন সত্যটোৱে হৈছে মৃত্যু। এই নিয়মকে সৰোগত কৰি বিংশ আৰু একবিংশ শতিকাৰ শ্ৰেষ্ঠ অসমীয়াজনো আঁতৰি গৈছে লক্ষ্য লক্ষ্য জনতাৰ মৰম চেনেহক নেওচা দি। সিমানখিনি জনাৰ পিছতো, বুজাৰ শক্তি থকাৰ পিছতো দেখোন নিজৰ মনটোৱে মানিব নোখোজে ড০ ভূপেন হাজৰিকা নামৰ বিশল বটবৃক্ষস্বৰূপ এইজন ব্যক্তি আমাৰ মাজত নাই বুলি।

আমাৰ জীৱনত অসমীয়া সংস্কৃতিৰ কাণ্ডাৰী স্বৰূপ বিযুৎপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালাক দেখা পোৱাৰ সৌভাগ্য নহল। কিতাপৰ পৃষ্ঠাৰ তেওঁলোকৰ গুণৰাশি, সৃষ্টিৰাজি ককা আইতা তথা জেষ্ঠ্যজনৰ মুখেৰে তেওঁলোকৰ বিশাল প্ৰতিভাৰ উমান পাইছোঁ। কিন্তু তাৰ মাজতো একবিংশ শতিকাৰ আজিৰ প্ৰতিনিধি হিচাপে গধবোধ কৰাৰ নিশ্চয়স্থল আছে যে সুধাকণ্ঠৰ বহুতো অনুষ্ঠান স্বচক্ষে নিচেই কাষৰ পৰা প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছিলোঁ। এইক্ষেত্ৰত নিঃসন্দেহে আমি সৌভাগ্যৱান। ড০ ভুপেন হাজৰিকাৰ মৃত্যুৰ সময়তে এই কথা প্ৰতিয়মান হৈছিল যে দিন ৰাতি সমান কৰি নশ্বৰ দেহৰ কাষত লক্ষ্য লক্ষ্য জনতাৰ দৰ্শনেৰে যেন এখন তীৰ্থক্ষেত্ৰলৈ পৰিণত হৈছিল। গুৱাহাটীৰ জজ্ খেলপথাৰ। পাৰভঙা অশ্ৰুৰে বিদায় সম্ভাষণ জনাইছিল নব্বৈৰ পৰা দুই তিনিবছৰৰ শিশুলৈকে আৰু এই অভাৱনীয় দৃশ্য এইবাৰেই হৈছিল যে ড০ ভূপেন হাজৰিকা আছিল তুলনা বিহীন। তেখেতে কেৱল প্ৰতিভাশালী গায়কেই নাছিল, তেখেত এজন মহান গীতিকাৰেই নহয়, মানুহৰ হৃদয়ত শ্ৰেষ্ঠ স্থান পোৱা সাহিত্যিকেই নহয় তেখেত। এই সকলোবোৰ হৈয়ো সকলোৰে উৰ্ধত তেখেত অন্যান্য। প্ৰতিজন মানুহৰ ভিতৰত সোমাই পৰা তেওঁ একবিংশ শতিকাৰ শ্ৰেষ্ঠ অসমীয়া। তেখেতৰ গান যিয়ে একাত্ম হৈ শুনিছিল প্ৰত্যেকেই সেই গানৰ মাজেদি বিচাৰি পাইছিল জীৱনৰ অভিব্যেক্তি। তেখেতে গীত লিখি গৈছিল শিশুৰ বাবে, ডেকা-গাভৰুৰ বাবে। তেখেতৰ গীতসমূহত প্ৰতিফলিত হৈছিল শদিয়াৰ পৰা ধুবুৰীলৈ, টিৰাপ সিমান্তৰ পৰা খাছীভূমিত বাস কৰা লোকসকলৰ জীৱনৰ বিভিন্ন প্ৰতিচ্ছবি। তেখেতে গীত ৰচনা কৰি গৈছিল কৃষকৰ মুক্তিৰ বাবে, শ্ৰমিকৰ মুক্তিৰ বাবে।

সেইবাবে ভূপেন হাজৰিকা নামৰ ব্যক্তিজনৰ কণ্ঠৰ পৰা নিগৰি ওলোৱা এটি শব্দ শুনিলে অমৃত সুধা পান কৰা যেন লাগে। পাহাৰে ভৈয়ামে প্ৰতিগৰাকী অসমীয়াই নিৰ্বিবাদে মানি লৈছে ড০ ভূপেন হাজৰিকাৰ মহানতা, এই যুগপ্ৰষ্টাজনৰ জনপ্ৰিয়তা। নিজকে যাযাবৰ বুলি কৈ ভালপোৱা এইজন মহান শিল্পীয়ে সৃষ্টি কৰা প্ৰতিটো গীতৰ একোচি শব্দই সমাজক, দেশক দিছিল একোটাকৈ জনগভীৰ বাৰ্তা। তেখেতৰ চিন্তাত, তেখেতৰ সৃষ্টিত এনেকুৱা এখন মানুহেৰে পৰিবেষ্টিত সমাজৰ আশা কৰিছিল, যিখন সমাজৰ প্ৰতিজন ব্যক্তিয়ে জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলোকে উৰ্দ্ধত থাকি কেৱল চিন্তা কৰিব পাৰে মানুহৰ বাবে। ড০ ভূপেন হাজৰিকাৰ প্ৰথম পৰিচয় তেখেত এজন অসমীয়া, আধুনিক শিল্প সংস্কৃতিৰ নিপুণ খনিকৰ তেখেতৰ উদাৰতা আৰু বিশালতাৰ পৰিচয় তেখেতৰ বিশ্বজনীন সাৰ্বজনীনতাৰ মাজেদিয়ে পোৱা যায়। প্ৰতিটো গীতৰ সৃষ্টিত কোনোবাটোত প্ৰতিফলিত হৈছে জতিভেদ নেওচিব খোজা একবিংশ শতিকাৰ একোখন প্ৰতিচ্ছবি। কিন্তু দুখৰ বিষয় যে এইজন ভূপেন দা এটা সময়ত মানুহৰ মৰমৰ পৰা বঞ্চিত হৈছিল। মানুহে ভুল মনেভাৱ তেখেতৰ ওপৰত পোষণ কৰি তেখেতৰ সাংস্কৃতিক কাৰ্যসূচীবোৰত

(পাঁচপৃষ্ঠাত চাওক)

# ওপজা দিনটো আহিলেই সাৰ পাই উঠে

উপস্থিত থকা সভা সমিতি পৰ্যন্ত বৰ্জন কৰিছিল। সেয়েহে মনৰ বেজাৰতে জীৱনৰ সুদীৰ্ঘকাল অসমৰ বাহিৰতে অতিবাহিত কৰিছিল। তথাপিও তেখেতে স্বদেশ আৰু স্বজাতিৰ কাৰণে অহৰহ সৃষ্টি কৰি গৈছিল।

তেখেতৰ অৱৰ্তমানত আজি ৮ ছেপ্তেম্বৰত তেখেতৰ উপজাদিন ৰাজ্যব্যাপী উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। এই উপলক্ষে বিভিন্ন স্মৃতিসভা, সাংস্কৃতিক সন্ধিয়া, ছাত্ৰ-ছাত্ৰীৰ মাজত তেখেতৰ গীতৰ প্ৰতিযোগীতা আদিও পাতিবলৈ লোৱা হৈছে। অসম চৰকাৰৰ সৌজন্যত জালুকবাৰীৰ তেখেতৰ সমাধিক্ষেত্ৰ প্ৰাংগনত স্মৃতিসভাৰ আয়োজন কৰা হয় প্ৰতিটো বৰ্ষতে। এই জন্মদিৱস পালনৰ মূহুৰ্তত এটা কথা বাৰে বাৰে মনলৈ আহে যে এইজন মহানায়কক আমি বিস্মৃতি দিনলৈ এইদৰে জিয়াই ৰাখিব পাৰিম। আবেগ বিহ্বল অসমীয়া জাতিয়ে হয়তো কৈ দিব যে লুইতৰ পানী যিমান দিনলৈ বৈ থাকিব ড০ ভূপেন হাজৰিকাও আমাৰ মাজত সিমান দিনলৈ জিয়াই থাকিব। আমি বৃহত্তৰ অসমীয়া জাতিয়ে গুৰুত্ব দিব লাগে যে আমি সুধাকণ্ঠৰ বিশাল সৃষ্টিৰাজিক কিদৰে সংৰক্ষণ কৰিম। তেখেতৰ সৃষ্টি অতি উচ্চমানৰ, অতুলনীয়, সেই সৃষ্টৰাজি বিশ্বৰ বিভিন্ন প্ৰান্তত সমাদৃত হবলৈ হলে তেখেতৰ সৃষ্টিসমূহ মূখ্য ভাষা সমূহলৈ অনুদিত হোৱা দৰকাৰ। এই ক্ষেত্ৰত চৰকাৰেও আগভাগ লৈ বিজ্ঞ লোকৰ দ্বাৰা অনুবাদৰ কামখিনি সম্পন্ন কৰিব লগে। তেখেতৰ সৃষ্টিৰাজি নতুন প্ৰজন্মই ধৰি ৰাখিব লাগিব। সেইবাবে উঠি অহা প্ৰজন্মৰ মাজত সুধাকণ্ঠৰ সৃষ্টিৰাজিৰ খুব ভালদৰে হব লাগে। তেখেতৰ উপজা আৰু মৃত্যুৰ দিনটোত কিছু কাৰ্যসূচী হাতত লোৱা হয় যদিও ড০ ভূপেন হাজৰিকা নামৰ বিশাল সত্বাটোক জীয়াই ৰাখিবলৈ এইখিনিয়ে যঠেষ্ট নহয়। বিদ্যালয়ৰ পাঠ্যক্ৰমত দৰাচলতে একোচি পাঠ অন্তৰ্ভূক্ত হব লাগে য'ত সুধাকণ্ঠৰ সৃষ্টিৰাজিৰ বিষয়ে বিষদভাৱে গম পাব পাৰি। তেখেতৰ সৃষ্টিৰাজি সুৰক্ষিত কৰাৰ উদ্দেশ্যেৰে যিটো সংগ্ৰহালয় স্থাপন কৰা হৈছিল সেইটো উপযুক্তভৱে গঢ় দিব লাগে।

প্ৰতি বছৰে ৰাজ্যখনত বহাগ বিহুৰ নামত দীঘলিয়াকৈ সাংস্কৃতিক কাৰ্যসূচী ৰাজ্যখনত হৈ থাকে। এইসমূহত সকলো গায়কে ড০ ভূপেন হাজৰিকা একোটি গান গোৱাতো একপ্ৰকাৰৰ নিশ্চিত কৰিব লাগে। এই ক্ষেত্ৰত কাৰো ওপৰত বাধ্যবাধকতা জপি দিয়া কথা নহয়। গয়ক সকলে নিজ বিবেকেৰে চিন্তা কৰি এই সিদ্ধান্ত লব লাগে। ভৱিষ্যত প্ৰজন্মই নিজস্ব কলা-সংস্কৃতিক জীয়াই ৰাখিব লাগিব আৰু সেই বাবে এই কথা সমূহলৈ লক্ষ্য ৰাখি গায়কসকলে নিজাববিয়াকৈ এনেধৰণৰ ইতিবাচক পদক্ষেপসমূহ হাতত লব লাগে। ওৰেটো জীৱন অসম আৰু অসমীয়াৰ উন্নতিৰ হকে চিন্তা কৰি যোৱা, ওৰেটো জীৱন সৃষ্টি কৰি যোৱা ড০ ভূপেন হাজৰিকা নামৰ মহাৰ শিল্পীজনৰ বাবে অসমীয়া জাতিয়ে এইখিনি কৰিব নোৱাৰিবনে? নিশ্চয় পাৰিব।



# একবিংশ শতিকাৰ বিকৃত মানসিকতা, নাৰী সুৰক্ষা আৰু আমাৰ কৰণীয়

স্বাগতা বৰুৱা গোস্বামী



বিদায় নন্দিতাঃ অকাল মৃত্যুৰে আৰু নুশুনিলে দুৰ্ভগীয়া ছাত্ৰী ৰ জীয়াই থকাৰ আকুল প্ৰাৰ্থনা... অসমীয়া খবৰ কাকত খন হাতত লৈয়ে ৰীমাৰ তেজ তুপি উঠিলি আহিছে। মনৰ ভিতৰতে গুজৰি গুমৰি আছে। এই পুৰুষ জাতিটোৰে এচামৰ হৈছে কি? প্ৰেম নামৰ এই স্বৰ্গীয় শব্দটো একেবাৰে কলুষিত কৰি পেলাইছে কিয়? একবিংশ শতিকাৰ এনে ঘটনা সঘনাই ঘটি থকাটো আমাৰ সমাজখনৰ বাবে অতিকৈ ঘৃণনীয় আৰু লজ্জাজনক কথা হৈ পৰিছে। যিখন সমাজত এজন পুৰুষক বংশ ধৰোতা বুলি ভবা হয় সেইখন সমাজতেই যদি বাৰে বাৰে একাংশ পুৰুষৰ দ্বাৰা মহিলাসকল নিৰ্যাতিত হ'ব লগা হয় তেতিয়া হ'লে এনে পুৰুষৰ পৰা আৰু কি আশা কৰিব পাৰি। চুমিলাৰ দৰে নাবালিকা জনীকো সিহঁতে এৰা নাই। একবিংশ শতিকাৰ এই সকলৰ মানবীয়তা আচলতে কোন ফালে ধাবমান তাৰো দেখোন কোনো উৱাদিহেই নোপোৱা হৈছো। ইয়াৰ বাবে আমি একাংশ অভিভাৱককেই জগৰীয়া নহয়নে বাৰু? কাৰণ ঘৰখনেই শিশুৰ শিক্ষাৰ প্ৰথম কঠিয়াতলি। বৈবাহিক জীৱনৰ পূৰ্ণতাই যদি সন্তান হয় তেনেহ'লে সেই সন্তানক সু-সংস্কাৰ দিয়াৰ দায়িত্ব ও আমি অভিভাৱকসকলৰে, অন্যথাই ব্যৰ্থ। আজিকালি আমি অভিভাৱকসকল সন্তানৰ প্ৰেমত ইমানেই অন্ধ যে নিজৰ সন্তানে কৰা ভুলটো আমি নেদেখো আৰু কোনো কোনো ক্ষেত্ৰত দেখিলেও আওঁকাণ কৰো। দ্বিতীয়তে সন্তানৰ হাতত কেতিয়াও প্ৰয়োজনাধিক অৰ্থ তুলি দিব নালাগে। প্ৰয়োজনাধিক অৰ্থ মানেই হ'ল বিপথে পৰিচালিত হোৱাৰ পূৰ্ণ সম্ভাবনা। তৃতীয়তে আমি প্ৰতিজন অভিভাৱকে নিজৰ সন্তানক সৰুৰেপৰাই মাৰ্জিত সাজপাৰৰ জ্ঞান দিয়াতো খুবেই বাঞ্চনীয়। আনুষ্ঠানিক শিক্ষাত ভাল ফল দেখুৱালে বুলিয়েই যে তেওঁলোক শিক্ষিত সেই মনোভাৱ আমি পৰিহাৰ কৰি সন্তানৰ অন্তৰত দয়া, মৰম, সন্মান আদিৰ ভাব জগাই তুলি প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰি দেশৰ এজন সুস্থ সবল নাগৰিক হিচাবে গঢ়ি তুলিব পাৰিব লাগিব। সৰুৰে পৰা মেডিটেইছন, পুৱা গধুলি নেদেখা জনৰ ওচৰত মূৰ ডোৱাৰ অভ্যাস গঢ়ি তুলিব পাৰিব লাগিব যাতে সুস্থ চিন্তাধাৰাৰে তেওঁলোক পৰিচালিত হ'ব পাৰে। যি মানুহৰ নেদেখা জনলৈ ভয় আছে সেইজন মানুহে বেয়া কাম কৰিব নোৱাৰে। সন্তানক সৰুৰে পৰাই অভাৱ কি বস্তু সেইটো উপলব্ধি কৰাব লাগিব। তেওঁলোকে কি কৰি আছে অৰ্থাৎ বৰ্তমান অনলাইন ক্লাছ চলি আছে গতিকে ক্লাছ কৰি আছে বুলি এৰি দিলেই নহ'ব তেওঁলোকে সঁচাকৈয়ে ক্লাছ কৰি আছেনে নাই বা মোবাইল ফোনটোৰ সদ ব্যৱহাৰ কৰিছেনে নাই তাৰ প্ৰতি লক্ষ্য ৰখাটোও বৰ্তমান সময়ত আমি অভিভাৱক সকলৰ এক অন্যতম প্ৰধান দায়িত্ব। অন্য এক অতি গুৰুত্বপূৰ্ণ কথা হ'ল যে সন্তানৰ লগত আমি অভিভাৱক সকলে বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলা। যাতে সন্তানে বিনা দিদ্ধায়ে তেওঁলোকৰ মনৰভাব বিনিময় কৰিব পাৰে। ব্যস্ততাৰ মাজতো তেওঁলোকক সময় দিবয়ে লাগিব। সৰুৰেপৰা যোগাত্মক চিন্তা আৰু কিতাপৰ লগত একাত্মক কৰি তোলাৰ দায়িত্ব ও আমি অভিভাৱকসকলেই। এইদৰেই আগবাঢ়ি চাওঁচোন আহক আমি অভিভাৱক হিচাপে। এই ক্ষেত্ৰত চৰকাৰখনৰো কৰণীয় বহুত আছে। নিৰ্বাচনী ৰণডংকাত উক্ত চৰকাৰৰ শাসন কালত বিভিন্ন আচঁনিৰ জড়িয়তে প্ৰগতিৰ মাপকাঠিডাল নিৰ্ণয় কৰাৰ লগতে শাসিত চৰকাৰ খনৰ কাৰ্যকালত নাৰীক কিমান সুৰক্ষিত কৰিব পাৰিছে, নিৰ্যাতন, বলাৎকাৰ আদি নাইকিয়া কৰিব পাৰিছেন নাই ইত্যাদিবোৰ এখন সফল চৰকাৰৰ অন্যতম মাপকাঠি। ফাষ্ট ট্ৰেক আদালতৰ জড়িয়তে এনে গোচৰসমূহ মীমাংসা কৰাৰ ব্যৱস্থা কৰিব লাগিব চৰকাৰখনে। এইবাৰ আহো আমাৰ সংবিধান খনলৈ আমাৰ সংবিধান খনৰো কিছু সালসলনিৰ দৰকাৰ। বলাৎকাৰ, হত্যাকাৰীক সৰ্বোচ্ছ শাস্তি দিয়াৰ আইন এখন অতি জৰুৰী হৈ পৰিছে নহক্ষলে অনেক নৰখাদকৰ বলি হৈ চুমিলা,দীপশিক্ষা,নন্দিতাৰ দৰে ফুলবোৰ অকালতে মৰহি যাব। কিন্তু সেইটো হ'বলৈ দিব নোৱাৰি।

## "এই সময়"

যশৱন্ত সিঙে হেজাৰ হেজাৰ চীনা সৈন্যক নিপাট কৰিও ভাগৰি পৰা নাছিল। চীনা সৈন্যই চীন সীমান্ত পাৰ হৈ টাৱাৰ্ডৰ পাছত চেলাটপ নামৰ ঠাইলৈকে চীনা সৈন্য আগবাঢ়িছিল যদিও ভাৰতীয় সৈন্যই পিচহোঁহকাই পঠাইছিল। এই মহান বীৰ যশৱন্ত সিং যথেষ্ট আঘাটপ্ৰাপ্ত হৈও শেষ তেজৰ টোপালটোৰৈলেকে যুজিয়েই আছিল। তেওঁ একেৰাহে সাতদিন অকলেই চীনা সৈন্যৰ সৈতে যুদ্ধ দিছিল। তেওঁৰ শৰীৰ অৱশ হৈ পৰিছিল। কোনোমতে উশাহ লৈছিল। কিন্তু হাতৰ বন্দুক চলাই আছিল। আৰু শেষত তেওঁক চীনা সৈন্যই হত্যা কৰিছিল। এনেকৈ এই সহান বীৰৰ জীৱন বন্তী নুমাইছিল। সেয়ে আজিও ১৫ আগষ্টৰ দিনা এই বীৰজনাৰ সমাধিত পুষ্প অৰ্পণ কৰি সন্মান জনায়।

# কোভিড কাল আৰু বিদ্যালয়ত পাঠদান

ডা: যুতিকা ওজা
অধ্যাপিকা, কমিউনিটী মেডিচিন বিভাগ
গুৱাহাটী চিকিৎসা মহাবিদ্যালয়



২০২০ চনৰ পৰা এতিয়ালৈকে সকলোকে ভীতিগ্ৰস্ত কৰি ৰখা ৰোগটো হৈছে কোভিড-১৯। ২০১৯ চনৰ ডিচেম্বৰ মাহত চীনত প্ৰথমে দেখা দিয়া এই ৰোগে পৃথিৱীৰ সকলো দেশকে সাঙুৰি লৈছে। এই ৰোগৰ ভয়াবহতা অতি বেছি আৰু অতি সংক্ৰমনশীল এই ৰোগে যিকোনো বয়সৰ লোকক আক্ৰান্ত কৰিব পাৰে।

অতি সহজে এজনৰ পৰা আনজনলৈ বিয়পিব পৰা এই ৰোগৰ বৰ্তমানলৈকে কোনো নিৰ্দিষ্ট ঔষধ নাই। এই ৰোগৰ দ্বাৰা আক্ৰান্ত লোকৰ প্ৰায় ৭০ শতাংশৰে কোনো লক্ষণ দেখা নিদিয়ে বা সাধাৰণ লক্ষণ দেখা দিয়ে। কিন্তু তেওঁলোকৰ পৰাও অন্য ব্যক্তিলৈ এই ৰোগ সংক্ৰমিত হ'ব পাৰে। এই ৰোগৰ পৰা পৰিত্ৰান পাবলৈ আৰু বিশেষকৈ সৰু ল'ৰা-ছোৱালী যাতে আক্ৰান্ত নহয় তাৰ বাবে বিদ্যালয় সমূহ বন্ধ ৰাখি অনলাইন পাঠদান(Online class) ৰ ব্যৱস্থা কৰা হৈছিল।

কোভিড-১৯ৰ প্ৰথম ঢৌত ডাঙৰৰ তুলনাত সৰু ল'ৰা-ছোৱালীৰ আক্ৰান্তৰ সংখ্যা তুলনামূলক ভাৱে কম আছিল আৰু আক্ৰান্তসকলৰ অতি কম সংখ্যকহে গুৰুতৰ পৰ্য্যায় পাইছিলগৈ। প্ৰথম ঢৌত আক্ৰান্তসকলৰ ভিতৰত ২০ বছৰৰ তলৰ মাত্ৰ ১২ শতাংশহে আক্ৰান্ত হৈছিল। এইসকলৰ বহুতৰে লক্ষণ যেনে জ্বৰ, কাঁহ, ডায়েৰিয়া, গোন্ধ নোপোৱা বা খোৱা বস্তুৰ সোৱাদ নোপোৱা আদিয়ে দেখা দিছিল। সৰু ল'ৰা-ছোৱালী আৰু বয়োজ্যেষ্ঠ সকলে যথেষ্ট সাৱধানতা অৱলম্বন কৰা দেখা গৈছিল। এই ৰোগ প্ৰতিৰোধৰ বাবে যিহেতু সামাজিক দূৰত্ব বজাই ৰখা, হাতদুখন ভালদৰে ধোৱা আৰু মাস্ক পৰিধান কৰা অতি প্ৰয়োজন সেইবাবে ইয়াৰ লগতে সামাজিক প্ৰতিষ্ঠানসমূহৰ লগতে বিদ্যালয় সমূহো বন্ধ কৰি দিয়া হৈছিল।

বৰ্তমান কোভিড-১৯ৰ প্ৰাদুৰ্ভাৱ হ্ৰাস পোৱা বাবে বিদ্যালয়সমূহ পুনৰ খোলাৰ ব্যৱস্থা কৰা হৈছে। স্কুল বন্ধ ৰখাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশত বহুত ক্ষতি হৈছে। বিগত দিনবোৰত তেওঁলোকৰ মাজত এক ভয় আৰু শংকাই বিৰাজ কৰাৰ লগতে অনবৰতে ঘৰত সোমাই থাকিবলগীয়া হোৱা বাবে মানসিকভাৱেও দুৰ্বল হৈ পৰিছিল। খেলা-ধূলা, ৰং ধেমালি আদিবোৰ প্ৰায় বন্ধ হোৱাৰ নিচিনা হৈছিল। লগতে মোক-দেউতাক, অভিভাৱক সকলৰো বহুত অসুবিধা হৈছিল। চৰকাৰী বিদ্যালয়সমূহত যোগান ধৰা খাদ্য নোহোৱাৰ ফলত স্বাস্থ্যৰ ক্ষেত্ৰতো সমস্যাৰ সৃষ্টি হৈছিল। বিদ্যালয়সমূহ পুনৰ খোলাৰ পিছত তেওঁলোকৰ শৈক্ষিক দিশৰ লগতে গঠনমূলক চিন্তাধাৰা, মানসিক বিকাশৰো উৎকৰ্ষ সাধন হ'ব বুলি ভবা হৈছে।

অৱশ্যে, বিদ্যালয়সমূহ খোলাৰ ব্যৱস্থা কৰাৰ লগতে বিদ্যালয় কৰ্তৃপক্ষ, অভিভাৱক সকলৰো দায়িত্ব বৃদ্ধি পাব। পুনৰ যাতে কোভিড-১৯ৰ সংক্ৰমন নহয় তাৰ প্ৰতি সকলোৰে সচেতন হ'ব লাগিব। মাক, দেউতাক বা অভিভাৱক সকলে ঘৰতে ল'ৰা ছোৱালী সামাজিক দূৰত্ব বৰ্তাই চলা, সঠিকভাৱে মাস্ক পৰিধান কৰা, সঘনাই হাত ধোৱা আদিৰ প্ৰয়োজনীয়তা ভালদৰে বুজাই ক'ব লাগিব। য়িহেতু সৰু ল'ৰা-ছোৱালীসকলে উপৰোক্ত নিয়মাৱলীসমূহ মানি চলিবলৈ অসুবিধা পায়, সেয়েহে অভিভাৱক সকল এই ক্ষেত্ৰত আগতকৈ বেছি সজাগ হ'ব লাগিব। স্কুল অহা যোৱা কৰোতে যাতায়াতৰ ক্ষেত্ৰতে উপৰোক্ত বিধিসমূহ মানি চলাটো নিতান্তই প্ৰয়োজনীয় হ'ব।

বহুত দিনৰ বিৰতিৰ পিছত বিদ্যালয় যোৱাৰ বাবে ল'ৰা ছোৱালীসকল পৰিস্থিতিৰ লগত খাপ খোৱাৰ বাবে কিছু সময়ৰ প্ৰয়োজন হ'ব। এইক্ষেত্ৰত শিক্ষক সকলৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ হ'ব।

- বিদ্যালয়ৰ শ্ৰেণীকোঠা সমূহ ভালদৰে চেনিটাইজ কৰাৰ ব্যৱস্থা কৰিব লাগিব। পাঠদান আৰম্ভ হোৱাৰ আগতে আৰু স্কুল ছুটী হোৱাৰ পিছত শ্ৰেণীকোঠাসমূহৰ ভালদৰে পৰিষ্কাৰ কৰিব লাগিব।
- স্কুলৰ চৌপাশ ভালদৰে পৰিষ্কাৰ আৰু চাফ-চিকুণকৈ ৰাখিব লাগিব।
- স্কুলৰ প্ৰতিটো কোঠাতেই বিশুদ্ধ বায়ু চলাচলৰ ব্যৱস্থা কৰিব লাগে যাতে কোঠাবোৰ শুকান আৰু পৰিষ্কাৰ হৈ থাকে।
- ছাত্ৰ-ছাত্ৰীসকলৰ বহুতেই জিৰণিৰ সময়ত টিফিন মিলিজুলি খায়। কিন্তু বৰ্তমান এই পৰিস্থিতিত এনে কৰাতো

(আঠ পৃষ্ঠাত চাওক)

অসম বাজেট ২০২১-২২



## শিক্ষা (প্ৰাথমিক) বিভাগ

# শিক্ষা ব্যৱস্থাৰ গুণগত মান উন্নীতকৰণ

**বাজেটত সৰ্বমুঠ ধন আৱণ্টন ঃ ৯,৩৮৯.৫৪ কোটি টকা**

JANASANYOG - 1586/21

### নতুন পদ সৃষ্টি

- ৪খন নতুন ডায়েট ঃ ১৯২টা
- ১০খন নতুন বি এড মহাবিদ্যালয় ঃ ৩৯০টা
- ইনষ্টিটিউট অৱ এডভান্স ষ্টাডিজ ইন এডুকেচন (IASE) ঃ ৩২টা



- ৰাজ্যৰ ১০০০খন নিৰ্বাচিত বিদ্যালয়ক উৎকৰ্ষ কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ লক্ষ্যৰে 'প্ৰত্যাহ্বান' শীৰ্ষক আঁচনি গ্ৰহণ
- বিদ্যালয়সমূহত বিশেষ প্ৰয়োজনীয়তা থকা ৫৮,২২৪টি শিশুক নামভৰ্তি কৰোৱা হ'ব আৰু গৃহভিত্তিক শিক্ষা প্ৰদানেৰে সহায় আগবঢ়োৱা হ'ব
- ২০২২ শিক্ষা বৰ্ষত চৰকাৰী/প্ৰাদেশীকৃত বিদ্যালয়ৰ ৩৭,৭৩,৬৪৫গৰাকী ছাত্ৰ-ছাত্ৰীলৈ আগবঢ়োৱা হ'ব বিনামূলীয়া ইউনিফৰ্ম অনুদান
- ৪১,৪৮৫খন প্ৰাথমিক বিদ্যালয়লৈ বাৰ্ষিক অনুদান মুকলি

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

পঞ্জীয়ন কৰক : assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us /@diprassam https://dipr.assam.gov.in/

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

২৬ ভাদ, ১৪২৭ চন Rongili Barta, Date of Publication-12 SEPTEMBER, 2021

# ভাৰত-ইংলেণ্ডৰ পঞ্চম টেষ্ট বাতিল




**বাৰ্তাসেৱা**- মানচেষ্টাৰত ১০-০৯-২১ৰ পৰা আৰম্ভ হ'বলগীয়া ইংলেণ্ড আৰু ভাৰতৰ মাজত অনুষ্ঠিত হ'বলগীয়া পঞ্চম খন টেষ্ট বাতিল কৰা হৈছে। ইংলেণ্ড এণ্ড ৱেলছ ক্ৰিকেট ব'ৰ্ডে (ইচিবি) কয়, "ভাৰতৰ শিবিৰৰ ভিতৰত কোভিডৰ ঘটনা আৰু বৃদ্ধি হোৱাৰ আশংকাৰ বাবে ভাৰতে দল এটা তৈয়াৰ কৰিবলৈ অক্ষম হৈছে"। ইফালে, ভাৰতীয় ক্ৰিকেট বোৰ্ডে বাতিল হোৱা টেষ্ট মেচখন পুনৰ নিৰ্ধাৰণ কৰাৰ প্ৰস্তাৱ দি কয় যে দুয়োখন বোৰ্ডে এই টেষ্ট মেচখন পুনৰ নিৰ্ধাৰণ কৰিবলৈ দিশ বিচাৰি উলিওৱাৰ কাম কৰিব। ইচিবিয়ে লগতে কয়, "আমি অনুৰাগীসকললৈ আমাৰ আন্তৰিক ক্ষমা প্ৰাৰ্থনা প্ৰেৰণ কৰিছোঁ"।

# কোভিড কাল আৰু বিদ্যালয়ত পাঠদান

একেবাৰেই অনুচিত। প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে এই বিষয়ে অৱগত কৰাটো অতি দৰকাৰী। খোৱাৰ সময়ত মাস্কখন খুলি ৰখা হয় বাবে শিক্ষকসকলে এই সময়ত মনযোগ দিয়া উচিত।

- খেল-ধেমালিৰ ক্ষেত্ৰতো যাতে কোভিড নিয়মাৱলীৰ অৱজ্ঞা কৰা নহয় তাক মন কৰা উচিত।
- বিদ্যালয়সমূহত বিশুদ্ধ পানীৰ ব্যৱস্থা থকাটো দৰকাৰ।
- বিদ্যালয়সমূহৰ প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰ সমূহো পৰিষ্কাৰ হৈ থকা প্ৰয়োজনীয়।
- স্কুলৰ মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰতো সকলোখিনি বিধি মানি চলাটো প্ৰয়োজনীয় হ'ব।
- যদি কোনোবা ছাত্ৰ-ছাত্ৰীৰ গা-বেয়া লাগিছে বা জ্বৰ, কাহ, পানীলগা আদি হৈছে তেতিয়া অভিভাৱকে তেওঁলোকক বিদ্যালয়লৈ পঠাব নালাগে। লগতে সেই শিশুৰ লগতে তেওঁৰ ওচৰত বহা অন্যান্য শিশু সকলৰো কোভিড- পৰীক্ষা কৰিব লাগিব।
- যদি কোনো শিশু হাপানী, শ্বাসতন্ত্ৰ ৰোগ, বক্কৰ ৰোগ, হৃদযন্ত্ৰ ৰোগ আদিৰ দ্বাৰা আক্ৰান্ত হৈ আছে; তেনে ক্ষেত্ৰত অভিভাৱকৰ লগতে বিদ্যালয় কৰ্তৃপক্ষ অধিক সচেতন হ'ব লাগিব।
- যদিহে কোনো ছাত্ৰ-ছাত্ৰী কোভিডৰ দ্বাৰা আক্ৰান্ত হয় আৰু চিকিৎসালয়ত ভৰ্তি হয় তেন্তে তেওঁৰ খবৰ ৰখাটো প্ৰয়োজন হ'ব।
- যিহেতু ১৮ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালীক এতিয়ালৈকে কোভিড প্ৰতিষেধক টীকা দিয়া হোৱা নাই, তাৰ বাবে আমি অধিক সচেতন হ'ব লাগিব।
- ১৮ বছৰ বয়সৰ ওপৰৰ ছাত্ৰ-ছাত্ৰীসকলে কোভিড-১৯ৰ দুই পালি প্ৰতিষেধক টীকা লৈছেনে নাই, তাক সুনিশ্চিত কৰা আৱশ্যক হ'ব। লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলেও প্ৰতিষেধক টিকা সম্পূৰ্ণকৈ লোৱাৰ দৰকাৰ। মধ্যাহ্ন ভোজনৰ ৰান্ধনি আৰু শিক্ষামিত্ৰ সকলকো দুই পালি টীকা লোৱা সুনিশ্চিত কৰিব লাগিব।

স্কুল কৰ্তৃপক্ষ, অভিভাৱক আৰু নিকটৱৰ্তী চিকিৎসালয়ৰ চিকিৎসক, স্বাস্থ্যকৰ্মী সকলৰ মাজত সমন্বয় ৰখাটো প্ৰয়োজন হ'ব। স্কুলত কাৰোবাৰ গা বেয়া হ'লে অনতিপলমে চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰিব লাগিব। স্কুলৰ প্ৰতিটো কোঠাৰ বাহিৰত সঠিকভাৱে চেনিটাইজাৰ ৰখাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল যাতে ছাত্ৰ-ছাত্ৰীসকলে তাৰ ব্যৱহাৰৰ দ্বাৰা হাত দুখন বীজাণুমুক্ত কৰি ৰাখিব পাৰে। চাবোন পানীৰে হাত ধোৱাৰ সঠিক প্ৰণালী ছাত্ৰ-ছাত্ৰীসকলক জনোৱাৰ ব্যৱস্থা কৰিব লাগিব। তদুপৰি মাস্কখন যাতে শুদ্ধকৈ পৰিধান কৰে তাকো ভালদৰে দেখুৱাই দিব লাগিব। দুপৰীয়াৰ আহাৰ গ্ৰহণৰ সময়তো যাতে সামাজিক দূৰত্ব মানি চলা হয়, তাৰ বাবে শিক্ষক তথা বিদ্যালয় কতৃপক্ষই সচেতন হ'ব লাগিব।

সজাগতাই কোভিড-১৯ নিয়ন্ত্ৰণৰ মূল ছাবি কাঠি। কোভিড নিয়ন্ত্ৰণৰ বিধি সমূহ মানি চলি আমি নিশ্চয়কৈ পুনৰ স্বাভাৱিক পৰিস্থিতিলৈ ঘূৰি আহিব পাৰিম।

# বিহ মেটেকাবোৰ গুজি নিদিবা

মাধুৰী শৰ্মা সভাপণ্ডিত

নাৰিকল জোপাৰ গাত
জোনাক পৰি তৰাবুলীয়া হৈছে
সিৰাই সিৰাই নিয়ৰৰ মণি
পৰিশ্ৰমী চৰাইটোৰ পাখিৰ শব্দত
নিৰ্জনতাবোৰে খহাইছে ওৰণি।
জোনটোৰ হাঁহিত
অক্ষয় কৱচ পিন্ধিছে চোতালখনে।
আলসুৱা গীত এটিৰ ভাঁজত
সময়ে সূতা কাটিছে আগমনীৰ।
মনৰ ৰহঘৰাত
নুৰিয়াই আঘোণীয়া আশা
সুৱাগুৰি তুলিছো জীৱনৰ।
সোণ হালধীয়া পথাৰখনত
হালিছে-জালিছে যৌৱন।
বিহমেটেকাবোৰ গুজি নিদিবা।

# যন্ত্ৰ মানৱ

ডঃ ৰাস্না ৰাজখোৱা
জামুগুৰিহাট, শোণিতপুৰ

সন্দেহ হয়
আমি প্ৰত্যকেই যেন
একো একোটা যন্ত্ৰ মানৱ
মেমৰিত স্থিৰ কৰি ৰখা প্ৰগ্ৰামানুসৰি
সময়ৰ লগত চলি আছে জীৱন
মন-গণিতৰ জটিল গণনাত
লাভ-লোকচানৰ মাজেৰে চলি থকা
আৱেগ, অনুভূতি, সহানুভূতিহীন
একোটা জীৱন
টিভি অথবা কিশোৰৰ এণ্ড্ৰয়ড মোবাইল ফোনৰ স্ক্ৰীণত
ভাঁহি থকা কাৰ্টুন কেইটাৰ দৰে
দৌৰিব লাগে, দৌৰি আছো
কেৱল দৌৰি আছো
ভিৰৰ মাজতো ইমান নিসংগ আমি
নিস্তব্ধতাৰ মাজতো মন মগজুত
কিহৰ ইমান কোলাহল
ডিজিটেল যুগৰ আমি
পলকতে
সাত-সাগৰ সিপাৰৰ খবৰ নখ-দৰ্পণত
অথচ
কোঠাটোৰ ভিতৰতে আমি
ইজনৰ খবৰ সিজনে নেজানো।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ-শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286